Regional News Unit
All India Radio, Guwahati
0000000000

**Date :** 08-08-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

***Headlines***

**----------**

১। ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ উদ্বোধন।

২। বাংলাদেশৰ পৰা যাতে কোনো লোক অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি দিবলৈ আৰক্ষী সঞ্চালক প্ৰধানৰ সীমান্তৱৰ্তী জিলাৰ আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ।

৩। পেৰিছ্ অলিম্পিকৰ পৰা ভাৰতীয় মল্লযুঁজাৰু ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা বিষয়টোৰ প্ৰতিবাদত ৰাজ্যসভাৰ বিৰোধী দলৰ সদস্যসকলৰ সদন ত্যাগ।

৪। অসম আৰু মিজোৰামৰ মাজৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ বাবে কাইলৈ দুয়োখন ৰাজ্যৰ মাজত মন্ত্ৰী পৰ্যায়ৰ বৈঠক।

**আৰু**

৫। পেৰিছ্ অলিম্পিকৰ জেভলিন থ্ৰ'ত ভাৰতৰ নীৰজ চোপ্ৰা আজি নিশা খিতাপ ৰক্ষাৰ যুঁজত অৱতীৰ্ণ। মল্লযোদ্ধা অমন শ্বেহৰাৱাট আলবানিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ।

0000000

ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ উদ্বোধন কৰে। এই আঁচনিখনে অহা ৩ বছৰত ১০ লাখ ছাত্ৰীক সামৰি ল'ব। মুখ্যমন্ত্ৰীয়ে কয় যে, বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধৰ লগতে অপৈণত বয়সতে মাতৃত্ব লাভৰ দৰে সমস্যাৰ পৰা কন্যাসকলক ৰক্ষা কৰাৰ লক্ষ্যৰে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। আনহাতে কন্যা-শিশুৰ মাজত নিহিত প্ৰতিভা বিকাশৰ ক্ষেত্ৰটো এই আঁচনিয়ে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে। মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীসকলক চৰকাৰে নিৰন্তৰভাৱে শিক্ষা গ্ৰহণ কৰিবলৈ আৰ্থিক সাহায্য প্ৰদান কৰিলে দৰিদ্ৰ পৰিয়ালৰ পিতৃ-মাতৃৰ আৰ্থিক বোজা হ্ৰাস পোৱাৰ লগতে বিদ্যালয়ৰ শিক্ষা আধাতে এৰা ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ হ'বলগীয়া আঁচনিখনৰ অধীনত একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ টকাকৈ, স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰা যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ ২৫০ টকাকৈ আৰু স্নাতকোত্তৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ইপিনে অসম চৰকাৰে এটা বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে যে স্নাতকোত্তৰ

আৰু বি এড শিক্ষাৰ্থীৰ বাহিৰে আন বিবাহিতা ছাত্ৰী কিম্বা চাকৰিয়াল বি এড শিক্ষাৰ্থী, মন্ত্ৰী-সাংসদ-বিধায়কৰ কন্যা, বাণীকান্ত কাকতি বঁটাৰ অধীনত স্কুটী লাভ কৰা ছাত্ৰীসকল এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব।

**চিৰাং** জিলাৰ কাজলগাঁৱৰ উপেন্দ্ৰ নাথ মহাবিদ্যালয়ত আজি ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই 'নিযুত মইনা' আঁচনিখন শুভাৰম্ভ কৰে। ইপিনে **মৰিগাঁও** জিলাৰ জাগীৰোড মহাবিদ্যালয়ত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ দ্বাৰা এই আঁচনি শুভাৰম্ভ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তদুপৰি জিলাখনৰ ৫৬টা শিক্ষানুষ্ঠানত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। **শোণিতপুৰ** জিলাতো এই আঁচনিৰ সুবিধা গ্ৰহণৰ বাবে আজিৰে পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰাৰ বাবে আহ্বান জনোৱা হৈছে। আজি তেজপুৰ মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ত বিধায়ক পদ্ম হাজৰিকাই এই আঁচনিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰে। ইপিনে আজি মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে আঁচনি উদ্বোধন কৰাৰ পাছতে **কাৰ্বি আংলঙত** ৩৩ খন শিক্ষানুষ্ঠানত অধ্যয়ন কৰি থকা ছাত্ৰীসকলৰ মাজত আবেদন প্ৰ-পত্ৰ বিতৰণ কৰা হয়। এই আঁচনিখনৰ জৰিয়তে জিলাখনৰ ৩ হাজাৰ ৪২৫ গৰাকী ছাত্ৰী উপকৃত হ'ব বুলি কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰে। **তিনিচুকীয়া** জিলাতো এই আঁচনিখন ৪০ খন মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। **ডিগবৈ** মহিলা মহাবিদ্যালয়ত আয়োজিত উদ্বোধনী অনুষ্ঠানত স্থানীয় বিধায়ক সুৰেন ফুকন আৰু জিলা আয়ুক্ত স্বপ্নীল পাল উপস্থিত থাকে। **মাজুলী** মহাবিদ্যালয় আৰু পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ত আজি আঁচনি উদ্বোধনৰ উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত **নিযুত মইনা** আঁচনিৰ বাবে যোগ্য ছাত্ৰীসকলক প্ৰ-পত্ৰ বিতৰণ কৰা হয়। **কৰিমগঞ্জ** জিলাতো আজি এই আঁচনি মুকলি কৰা হয়।

০০০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে কয় যে অসম আৰক্ষীয়ে বাংলাদেশৰ শেহতীয়া পৰিস্থিতি পৰ্যালোচনা কৰি আছে। ইয়াৰ অংশ হিচাপে সীমান্তত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ লগতে সীমান্ত সুৰক্ষা বাহিনীও সক্ৰিয় হৈ থকা বুলি তেওঁ উল্লেখ কৰে। তদুপৰি বাংলাদেশৰ পৰা যাতে কোনো লোক অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে অসম আৰক্ষীয়ে দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে ধুবুৰী, কাছাৰ, দক্ষিণ শালমাৰা মানকাচৰ আদি সীমান্তৱৰ্তী জিলাৰ আৰক্ষী অধীক্ষকসকলক অধিক সক্ৰিয় হ'বলৈ কোৱা হৈছে। আজি তিনিচুকীয়াৰ আৰক্ষী অতিথিশালাত এখন আইন-শৃংখলা সম্পৰ্কীয় পৰ্যালোচনা বৈঠকত উপস্থিত থকা আৰক্ষী সঞ্চালক প্ৰধান শ্ৰীসিঙে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। সেনা, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু তিনিচুকীয়া জিলাৰ সকলো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে যিকোনো ধৰণৰ সম্ভাব্য কূটাঘাত ৰোধ কৰিবলৈ নিৰাপত্তাৰক্ষীসকলক সাজু হৈ থাকিবলৈ আহ্বান জনায়। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে আলফা স্বাধীনক অসমত প্ৰৱেশত বাধা প্ৰদান কৰিবলৈ নিৰাপত্তাৰক্ষী সাজু হৈ আছে। তেওঁ কয় যে আলফাই কূটাঘাত সংঘটিত কৰিলে অসম আৰক্ষী অধিক সক্ৰিয়তাৰে আলফা-বিৰোধী অভিযান চলাব।

ইফালে, সঞ্চালক প্ৰধান শ্ৰীসিঙে যোৰহাটতো সমাগত স্বাধীনতা দিৱসৰ নিৰাপত্তা ব্যৱস্থাৰ বুজ লয়। তেওঁ জিলা আৰক্ষী অধীক্ষকৰ লগতে জিলাখনৰ উচ্চপদস্থ আৰক্ষী বিষয়াসকলৰ সৈতে আইন-শৃংখলা, জনসাধাৰণৰ নিৰাপত্তা,

অপৰাধ আদিৰ বিষয়ে পৰ্যালোচনা কৰে। তেওঁ কিদৰে জিলাখনত শান্তি-সম্প্ৰীতি ৰক্ষা কৰিব পাৰি সেই বিষয়ে পৰামৰ্শ আগবঢ়ায়।

০০০০০০০

পেৰিছ্‌ অলিম্পিকৰ পৰা ভাৰতীয় মল্লযুঁজাৰু ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা বিষয়টোৰ প্ৰতিবাদ কৰি আজি ৰাজ্যসভাৰ বিৰোধী দলৰ সদস্যসকলে সদন ত্যাগ কৰে। বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই আজি পুৱা সদনৰ আৰম্ভণিতে বিষয়টো উত্থাপন কৰিবলৈ চেষ্টা কৰিছিল যদিও তেওঁক অনুমতি দিয়া নহ’ল। পাছত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, ডি এম কে, আৰ জে ডি আৰু আন বিৰোধী দলৰ সদস্যসকলে সদন ত্যাগ কৰে। ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ে বিৰোধীৰ এনে আচৰণত আপত্তি দৰ্শাই তৃণমূল কংগ্ৰছৰ সাংসদ ডেৰেক অ’ব্ৰায়নক গৰিহণা দিয়াৰ লগতে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ সতৰ্কবাণী জাৰি কৰে। শ্ৰী ধনখড়ে কয় যে অলিম্পিকৰ দৰে এখন মঞ্চত পদক জয়ৰ পূৰ্ণ সম্ভাৱনা থকা ৱিনেশ ফোগট অযোগ্য ঘোষিত হোৱাত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি সমগ্ৰ দেশৰ লগতে তেওঁ নিজেও মনোকষ্ট পাইছে আৰু এই সময়ত ঘটনাটোৰ ৰাজনীতিকৰণে মল্লযুঁজাৰুগৰাকীৰ সন্মানত আঘাত দিব। তেওঁ কয় যে হাৰিয়ানা চৰকাৰে ইতিমধ্যে খেলুৱৈগৰাকীক বিজেতাৰ দৰে সকলোধৰণে সহযোগিতা আগবঢ়াব বুলি ঘোষণা কৰিছে। আনহাতে, জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডায়েও বিৰোধীৰ আচৰণক নিন্দা কৰে। তেওঁ অধ্যক্ষৰ প্ৰতি কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছৰ সদস্যসকলৰ আচৰণৰ বিৰোধিতা কৰি কয় যে সমগ্ৰ দেশ এই মুহূৰ্তত ৱিনেশ ফোগটৰ লগত আছে আৰু বিৰোধীয়ে চৰকাৰৰ বিপক্ষে মাত মাতিবলৈ আন বিষয় নথকাত এই বিষয়টোকে বাছি লৈছে বুলিও জে পি নাড্ডাই অভিযোগ উত্থাপন কৰে।

০০০০০০০

বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী পৰ্যবেক্ষণৰ বাবে আজি শিৱসাগৰ জিলা পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্ত কাৰ্যালয়ত জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ লগত বৈঠক অনুষ্ঠিত কৰি অমৃত বৃক্ষ আন্দোলনৰ অগ্ৰগতিৰ বুজ লয়। পাছত এই কাৰ্যসূচীৰ অংশ হিচাপে গছপুলি ৰোপণ কাৰ্যসূচীতো মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে। তেওঁ লগতে চহৰখনৰ ফুকন নগৰত নিৰ্মাণ কৰিবলৈ লোৱা ইকো-পাৰ্কৰো শিলান্যাস কৰে।

তিনিচুকীয়া জিলাত এই আন্দোলনৰ অংশ হিচাপে জিলাখনৰ ডুমডুমা মহাবিদ্যালয়ত বিধায়ক ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। বিধায়কগৰাকীয়ে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে।

০০০০০০০

অসম আৰু মিজোৰামৰ মাজৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ বাবে কাইলৈ দুয়োখন ৰাজ্যৰ মাজত মন্ত্ৰী পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ’ব। মিজোৰামৰ গৃহ বিভাগে প্ৰকাশ কৰা মতে কাইলৈ বিয়লি আইজলৰ ৰাজ্যিক অতিথিশালাত এই বৈঠক অনুষ্ঠিত হ’ব। অসমৰ মন্ত্ৰী দলটোক সীমা সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰাই নেতৃত্ব দিয়াৰ বিপৰীতে মিজোৰামৰ দলটোক গৃহমন্ত্ৰী কে ছাপডাংগাই নেতৃত্ব দিব। দুয়োখন ৰাজ্যৰ মন্ত্ৰীসকলে কাইলৈ এই সন্দৰ্ভত এখন সংবাদমেলো সম্বোধন কৰিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী লালডোমহা নেতৃত্বাধীন জুৰাম পিপলছ্‌ মুভমেণ্ট দল শাসনলৈ অহাৰ পাছত এয়া ৰাজ্য দুখনৰ প্ৰথমখন সীমা সম্পৰ্কীয় বৈঠক হিচাপে পৰিগণিত হৈছে।

০০০০০০০

দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ চাৰিখনকৈ ৰেডিয়েল গেট মুকলি কৰাৰ পাছতে গোলাঘাট জিলাৰ মেৰাপানী, সৰুপানী, সোণালী পথাৰ, বৰবালিটোপ, পদুমপথাৰ, কাছমাৰীৰ ইটানগৰ, কাকজান আদি গাঁওসমূহ প্লাৱিত হৈছে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে ধনশিৰি আৰু দৈয়াং নদীৰ কাষৰীয়া অঞ্চলৰ জনসাধাৰণক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। প্ৰশাসনে নদীকাষৰীয়া অঞ্চলৰ লোকসকলক নদীত মাছ ধৰা, সাঁতোৰা, গা ধোৱা আদি কাৰ্যৰ পৰা বিৰত থকাৰ বাবে পৰামৰ্শ আগবঢ়াইছে। ইফালে, বতৰ বিজ্ঞানৰ আগজাননী অনুসৰি জিলাখনত অহা ২৪ ঘণ্টাৰ ভিতৰত নিম্নৰ পৰা মধ্যমীয়া বান পৰিস্থিতিৰ সম্ভাৱনা আছে। ইতিমধ্যে সম্ভাব্য যিকোনো পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে ৰাজ্যিক  দুৰ্যোগ প্ৰশমন বাহিনী সষ্টম হৈ আছে।

০০০০০০০

পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ মহকুমাৰ অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন বোৰ্ড আৰু মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ সৌজন্যত মকুমাটোৰ অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীৰ মাজত টেলিভিছন চেট আৰু চকী-টেবুল বিতৰণ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। চলিত বৰ্ষত মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ অধীনত অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীৰ বাবে এই সামগ্ৰীসমূহ বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

বাংলাদেশত নবেল বঁটা প্ৰাপক প্ৰফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰৰ্তীকালীন চৰকাৰখনে আজি নিশা শপতগ্ৰহণ কৰিব। কালি এখন সংবাদ মেলত দেশখনৰ সেনাপ্ৰধান ৱাকাৰ-উজ-জামানে এই কথা সদৰি কৰে। তেওঁ দেশখনৰ পৰিস্থিতি অহা তিনি-চাৰি দিনৰ ভিতৰত স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ কয় যে বিগত কিছুদিনত সংঘটিত অপৰাধমূলক ঘটনাসমূহৰ সৈতে জড়িত থকা লোকসকলক সাৰি যাবলৈ দিয়া নহ'ব আৰু সেইসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত পৰহিলৈ গুৱাহাটীৰ বামুণীমৈদামত থকা পৰিষদৰ কাৰ্যালয়ৰ সভাগৃহত **গ্ৰন্থ আলচ** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহাবিদ্যালয় আৰু দিছপুৰ মহাবিদ্যালয়ৰ প্ৰকাশ সাহিত্য গোটৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পৰিষদৰ সচিব প্ৰমোদ কলিতাই প্ৰকাশ কৰা মতে ১৯৪৭ চনৰ পৰা ১৯৭১ চনলৈ অসমৰ ৰাজনৈতিক পৰিক্ৰমা সামৰি লেখক ইতিহাসবিদ ড০ ৰাজেন শইকীয়াই সম্পাদনা কৰা আৰু অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰি উলিওৱা **পলিটিকেল হিষ্ট্ৰী অৱ আছাম** শীৰ্ষক গ্ৰন্থখনৰ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৱনিযুক্ত উপাচাৰ্য ড০ ননীগোপাল মহন্ত আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ প্ৰাণজিৎ বৰা আলোচক হিচাপে উপস্থিত থাকিব।

০০০০০০০

মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি জেংৰাইমুখত বাল্যবিবাহ প্ৰতিৰোধী আইন, শিশু যৌন নিৰ্যাতন সুৰক্ষা আইন, শিশু শ্ৰম প্ৰতিৰোধী আইন সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত প্ৰাধিকৰণৰ বিষয়ববীয়াসকলে শিক্ষাৰ্থীসকলক বাল্য বিবাহৰ ভয়াবহতা আৰু শিশু যৌন নিৰ্যাতন প্ৰতিৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে আলোকপাত কৰে। তেওঁলোকে এই অপৰাধবোৰ প্ৰতিৰোধৰ বাবে সংশ্লিষ্ট আইনৰ বিভিন্ন ধাৰা আৰু

ইয়াৰ অধীনৰ শাস্তিসমূহো ব্যাখ্যা কৰে। তদুপৰি শিশু শ্ৰমিক প্ৰতিৰোধ আইন সম্পৰ্কে পৰ্যালোচনা কৰাৰ লগতে নিচাযুক্ত দ্ৰব্য সেৱন আৰু ইয়াৰ ভয়াবহতা সম্পৰ্কে শিক্ষাৰ্থীসকলক বিৱৰি কয়।

0000000

অহা ১৬ আগষ্টৰ পৰা ৩০ ছেপ্তেম্বৰলৈ হ'বলগীয়া ডিজিটেল শস্য জৰীপৰ সৈতে সংগতি ৰাখি তিনিচুকীয়া জিলাৰ ৰাজহ চক্ৰ পৰ্যায়ৰ জৰীপকাৰী, তত্বাৱধায়ক আৰু পৰীক্ষকসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণত সমল ব্যক্তিসকলে নিৰ্দিষ্ট শস্য জৰীপ এপৰ জৰিয়তে কিদৰে জৰীপ কাৰ্য সম্পন্ন কৰিব লাগিব সেই বিষয়ে বিশদভাৱে আলোচনা কৰে। তদুপৰি প্ৰশিক্ষাৰ্থীসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত নিয়াৰিকৈ সকলো সম্পন্ন কৰিবলৈ আহ্বান জনোৱা হয়।

0000000

জেভলিন থ্ৰ'ৰ যোৱাবাৰৰ অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাই আজি নিশা খিতাপ ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'ব। আনহাতে ভাৰতীয় পুৰুষ হকী দলে ব্ৰঞ্জৰ পদকৰ যুঁজত স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ইপিনে, মল্লযুদ্ধত বৰ্তি থকা একমাত্ৰ পুৰুষ মল্লযোদ্ধা অমন শ্বেহৰাৱাট আজি ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত আলবানিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। মহিলা মল্লযোদ্ধা অংশুৱে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাজয় হৈছে।

আনহাতে, পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগটে তেওঁক অযোগ্য ঘোষণা কৰা সিদ্ধান্তৰ বিৰুদ্ধে ক্ৰীড়া চালিছী আদালতত আবেদন দাখিল কৰিছে। খেলুৱৈগৰাকীয়ে তেওঁক যুটীয়াভাৱে ৰূপৰ পদক প্ৰদান কৰিবলৈ দাবী জনাইছে। লগতে ফোগটে সামাজিক মাধ্যমযোগে তেওঁৰ অৱসৰৰ কথাও ঘোষণা কৰিছে।

0000000

নগাঁও জিলাৰ ধিঙত আজি আৰক্ষীয়ে এজন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰে। জিলাখনৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি হুমায়ুন কবিৰ নামৰ বাংলাদেশী লোকজনৰ পৰা আৰক্ষীয়ে দুখন বাংলাদেশৰ মোবাইল ছিমকাৰ্ড আৰু মোবাইল হেণ্ডছেট জব্দ কৰে। লোকজনে দেশখনৰ ছিলেট জিলাৰ পৰা মেঘালয়ৰ ডাউকী হৈ অসমত প্ৰৱেশ কৰিছিল। ধিং বজাৰত ব্যৱসায়ৰ বাবে গৰু ক্ৰয় কৰাৰ সময়ত লোকজনক গ্ৰেপ্তাৰ কৰা হয়।

0000000

পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত জাগাৰা গোপালপুৰ নিবাসী প্ৰবীণ ভাৱৰীয়া শিল্পী প্ৰতাপ চন্দ্ৰ বেজবৰুৱাৰ আজি পুৱতি নিশা দেহাৱসান ঘটে। ডাক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বেজবৰুৱাৰ মৃত্যুৰ সময়ত বয়স আছিল ৮০ বছৰ। প্ৰবীণ শিল্পীগৰাকীয়ে ৫৬ বছৰ ধৰি ভাৱৰীয়া শিল্পৰ লগত জড়িত হৈ শিল্পী সত্তাক জীয়াই ৰখাৰ বাবে কৰা প্ৰয়াসৰ স্বীকৃতিস্বৰূপে ২০২০ চনত তেওঁক অসম চৰকাৰে শিল্পী পেন্সন প্ৰদান কৰিছিল। শিল্পীগৰাকী জাগাৰাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও জড়িত আছিল। তেওঁৰ মৃত্যুত অগণন গুণমুগ্ধই শোক প্ৰকাশ কৰিছে।

0000000

সমাপ্ত